দিত্বীয় অধ্যায়

১। ছোভিয়েট সংঘক সংস্কাৰৰ সুচনা কৰিবলৈ মিখাইল গৰ্বাচেভক কোন বিলাক কাৰকে বাধ্য কৰাইছিল

উত্তৰঃ ১৯৮৫ চনত গৰ্বাচেভ ছোভিয়েট সংঘৰ সাম্যবাদী দলৰ সাধাৰণ সম্পাদক হৈছিল। ছোভিয়েট সংঘক সংস্কাৰৰ সুচনা কৰিবলৈ মিখাইল গৰ্বাচেভক কিছুমান কাৰকে বাধ্য কৰাইছিল। তাৰ ভিতৰত-

ক) তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত এক বিপ্লৱৰ সুচনা কৰিব বিচাৰিছিল যাতে পশ্চিমীয়া দেশসমূহৰ সৈতে প্ৰতিযোগিতাত অৱতীৰ্ণ হব পাৰে।

খ) পশ্চিমীয়া দেশসমূহৰ সৈতে স্বাভাৱিক সম্পৰ্ক গঢ়ি তোলাৰ ওপৰত জোৰ দিছিল।

গ) ছোভিয়েট সংঘত গণতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰতিষ্ঠাৰ জৰিয়তে পৰিৱৰ্তন সাধিব খুজিছিল।

ঘ) সাধাৰণ জনাতাক বিশেষাধিকাৰৰ পৰা বঞ্চিত কৰা প্ৰশাসনীয় ব্যৱস্থাক সৰল কৰিব বিচাৰিছিল।

২। ছোভিয়েট ব্যৱস্থাৰ দুৰ্বলতাসমূহ কি কি

উত্তৰঃ ছোভিয়েট ব্যৱস্থাই জনগণৰ বহু পৰিমাণে আশা পূৰণ কৰিছিল যদিও বহু ক্ষেত্ৰত দুৰ্বলতা আছিল। তাৰ ভিতৰত-

১। আমোলাতান্ত্ৰিক আৰু অধিক কেন্দ্ৰীয়কৰণৰ প্ৰভাৱ

২। নাগৰিকৰ বাক্ স্বাধীনতা নাছিল

৩। কেৱল এটা ৰাজনৈতিক দলৰ সৰ্বোচ্চ নিয়ন্ত্ৰণ

৪। ১৫ খন অংগৰাজ্যৰ ভিতৰত ৰাছিয়াই অত্যাধিক প্ৰাধান্য লাভ।

৩। ছোভিয়েট সংঘ ভাঙোণৰ বা খণ্ডিতকৰণৰ কাৰণ আৰু ইয়াৰ পৰিণতিসমূহ লিখা।

উত্তৰঃ ভাঙোণৰ কাৰণসমূহ-

১। **অৰ্থনৈতিক স্হবিৰতা-**

- অৰ্থনৈতিক ক্ষেত্ৰত হোৱা আভ্যন্তৰীণ দুৰ্বলতাৰ বাবে জনগনৰ আশা-আকাংক্ষা পূৰণ কৰাত ব্যৰ্থ হৈছিল।
- অৰ্থনৈতিক মন্দাৱস্হাই জনগণৰ নিত্য প্ৰয়োজনীয় পণ্য সামগ্ৰীৰ নাটনিৰ সৃষ্টি কৰিছিল।

২। **ৰাজনৈতিক আৰু প্ৰশাসনীয় দুৰ্বলতা-**

- ৭০ বছৰ ধৰি শাসন কৰা সাম্যবাদী দল ছোভিয়েটবাসীৰ ওচৰত উত্তৰদায়ী নাছিল।
- প্ৰশাসনীয় কাম-কাজৰ মন্হৰ গতি আৰু দুৰ্বলতাৰ বাবে জনগণ সুযোগ –সুবিধাৰ পৰা বঞ্চিত হব লগা হৈছিল।
- নিয়ন্ত্ৰণহীন দুৰ্ণীতি আৰু আমোলাসকলৰ ভোগ-বিলাসৰ বাবে প্ৰশাসন ব্যৱস্থাক সংস্কাৰ কৰাত বিফল হৈছিল।
- জনগণৰ অনাংশগ্ৰহণৰ ফলশ্ৰুতিত জনসমৰ্থন হেৰুৱাইছিল আৰু ভুল সংশোধনৰ বাবে কোনো পক্ষ নাছিল।

৩। **গৰ্বাচেভৰ সংস্কাৰ নীতিঃ** পূৰ্ব উত্তৰত চোৱা। সংস্কাৰৰ গতি লেহেম আৰু এই নীতিসমূহৰ বেমেজালিৰ ফলত জনগণ অতিষ্ঠ হৈছিল।

৪। **জাতীয়তাবোধ আৰু সাৰ্বভৌমত্বৰ উত্থানঃ-** ছোভিয়েট ব্যৱস্থাৰ অংশ হিচাপে থকা প্ৰজাতন্ত্ৰবোৰৰ মাজত গঢ়ি উঠা জাতীয়তাবাদ আৰু সাৰ্বভৌমত্ব লাভৰ আকাংক্ষাৰ বাবে। অৰ্থাত মধ্য এছিয়াৰ প্ৰজাতন্ত্ৰ আৰু আন আন প্ৰজাতন্ত্ৰবোৰৰ মাজত জাতিগত আৰু ধৰ্মীয় প্ৰভেদ তথা অৰ্থনৈতিক অনগ্ৰসৰতা।

পৰিণতিসমূহঃ

১। শীতল যুদ্ধৰ পৰিসমাপ্তি বা আদৰ্শগত সংঘাতৰ সমাপ্তি

২। আমেৰিকা একক শক্তি হিচাপে প্ৰতিষ্ঠা লাভ- একমেৰু ব্যৱস্থাৰ প্ৰৱৰ্তন। আমেৰিকাৰ পুজিঁবাদী অৰ্থনৈতিক ব্যৱস্থাই আধিপত্য বিস্তাৰ কৰে। IMF, World bank etc.

৩। নতুন ৰাষ্টৰ সৃষ্টি- ১৫ খন নতুন ৰাষ্ট্ৰৰ জন্ম হৈছিল

৪। সামৰিক মৈত্ৰীৰ অৱসান আৰু বিশ্ব শান্তি আৰু নিৰাপত্তাৰ ৰক্ষা

৫। ৰাল্টিক আৰু পূব ইউৰোপীয় ৰাষ্ট্ৰসমূহে ইউৰোপীয়ান ইউনিয়ত যোগদান কৰি নাটোৰ সদস্যপদ গ্ৰহণ কৰে।

৬। মধ্য এছিয়াৰ ৰাষ্ট্ৰসমূহে আমেৰিকা আৰু চীনৰ সৈতে সম্পৰ্ক স্হাপন কৰিব বিচাৰে।

৭। ৱাৰ্শ্ব চুক্তিৰ ভংগ।